প্রান্তিক

উনচত্বাৰিংশ বছৰ, উনবিংশ সংখ্যা। ১—১৫ ছেপ্টেম্বৰ ২০২০ চন

# আমাৰ অস্তিত্বৰ সংগ্ৰাম চলিয়েই থাকিব

সম্প্ৰতি বহু দিশেৰে ভাৰতবৰ্ষ সমগ্ৰ বিশ্বৰ ভিতৰতে এখন উল্লেখযোগ্য দেশ। আৰ্থিক বা সামৰিক দিশেৰে আমাৰ প্ৰতিপত্তি নাথাকিলেও জ্ঞান-বিজ্ঞান, কলা-সংস্কৃতি আদি দিশেৰেও আমি আগৰণুৱা বুলি গৌৰৱ কৰিব পাৰোঁ। আধ্যাত্মিকতাৰ কথা নক'লোঁৱেইবা। বৃহত্তম গণতান্ত্ৰিক দেশৰূপেও আমি সম্মানিত। ৰাষ্ট্ৰসংঘতো আমাৰ স্থান ক্ৰমে উৰ্দ্ধগামী হৈ আহিছে। ক্ৰীড়াৰ ক্ষেত্ৰত আমি সামগ্ৰিকভাৱেও প্ৰতিপত্তি প্ৰদৰ্শন কৰিব পৰা নাই যদিও ক্ৰিকেটৰ ক্ষেত্ৰত আমি শীৰ্ষস্থান লভিছোঁ। অৱশ্যে সমগ্ৰ বিশ্বতে ক্ৰিকেটৰ প্ৰচলন নাই। আনহাতে সমগ্ৰ বিশ্বতে প্ৰচলন থকা এটা বিষয়ত হ'লে সুদীৰ্ঘ কাল ধৰি আমি এক নম্বৰত আছোঁ। সেইটো হ'ল ছিনেমা নিৰ্মাণৰ ক্ষেত্ৰত। বছৰি সৰ্বাধিক সংখ্যক ছিনেমা ভাৰতবৰ্ষতে নিৰ্মাণ হয়। দেশৰ ভিতৰত অধিকাংশ ছিনেমা হিন্দী ভাষাত তৈয়াৰ হয় যদিও তামিল, তেলুগু, মালায়ালি আৰু কানাড়া ভাষাতো কম ছিনেমা নিৰ্মাণ নহয়। যোৱা শতিকাৰ পঞ্চাছ-ষাঠিৰ দশকত বাংলা ভাষাতো পৰ্যাপ্ত ছিনেমা নিৰ্মাণ কৰা হৈছিল আৰু তাৰ ফলস্বৰূপে ভালেকেইখনমান অসমীয়া ছিনেমাও কলিকতাৰ ষ্টুডিঅ'ত গৈ নিৰ্মাণ কৰি অনা হৈছিল। তেতিয়াৰ দিনত বাংলা ভাষাৰ বাছকবনীয়া সাহিত্যিকৰ গল্প, উপন্যাসৰ আধাৰত অধিক বাংলা ছবি প্ৰস্তুত কৰা হৈছিল। আৰু সেইবাবে বাঙালীসকলে 'একটা ছিনেমা দেখতে যাব' বুলি নকৈ 'একখানা বই দেখতে যাব' বুলিহে কৈছিল। সমগ্ৰ দেশতে জনপ্ৰিয় হৈ পৰা ব্যয়বহুল হিন্দী ছিনেমাৰ আগ্ৰাসনৰ মাজতো বাঙালীসকলৰ মাজৰপৰা ঋত্বিক ঘটক, সত্যজিৎ ৰায়, মৃণাল সেন, তপন সিনহা আদিৰ দৰে কৃতী বাঙালীয়ে মননশীল কলাত্মক ছিনেমা নিৰ্মাণ কৰি দেশৰে নহয় বিশ্বৰো সুৰুচিৱানৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকৰ সমান্তৰালভাৱে এজন একেধাৰে অভিনেতা, নিৰ্দেশক আৰু প্ৰযোজক ৰাজ কাপুৰে ইখনৰ পিছত সিখন জনপ্ৰিয় হিন্দী ছিনেমা নিৰ্মাণ কৰি দেশখনত তাল-ফাল লগোৱাৰ লগতে ৰুছ দেশকে ধৰি দুখনমান বিদেশতো জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। এনে এটা সময়তে এজন বিদেশী সাংবাদিকে ৰাজ কাপুৰক এটা প্ৰশ্ন কৰিছিল—আপুনি এজন অতি কৃতধী ফিল্ম মেকাৰ হৈয়ো মাথোন মনোৰঞ্জনধৰ্মী ছবি নিৰ্মাণ নকৰি সত্যজিৎ ৰায়হঁতৰ দৰে আৰ্ট ফিল্ম নিৰ্মাণ নকৰে কিয়? উত্তৰত ৰাজ কাপুৰে কৈছিল—মই শত-সহস্ৰ নিষ্পেষিত আধাপেটী ডাল-দৰিদ্ৰ ভাৰতীয় জনতাক সকলো দুখ-যন্ত্ৰণা পাহৰি তিনি ঘণ্টাৰ বাবে (তেতিয়াৰ দিনত সাধাৰণতে হিন্দী ছিনেমাবোৰ বৰ দীঘল আছিল) স্বপ্নৰাজ্যত বিচৰণ কৰোৱাব খোজোঁ (I sell dreams to the deprive millions)।প্ৰয়োজন হ'লে তেওঁ যে নান্দনিক ছবিও নিৰ্মাণ কৰিব পাৰে তাৰে প্ৰমাণ দিবলৈ 'জাগতে ৰহে' নামৰ এখন হিন্দী আৰু বাংলা ভাষাত প্ৰখ্যাত নাট্যকাৰ শম্ভু মিত্ৰৰ নিৰ্দেশনাৰে প্ৰযোজনা কৰিছিল। স্বাভাৱিকতে ছবিখনে Teeming poor millionsক স্পৰ্শ নকৰিলে।

সম্প্ৰতি আমাৰ ৰাজ্যত আগন্তুক সাধাৰণ নিৰ্বাচনৰ বা বলিবলৈ ধৰিছে। গণতান্ত্ৰিক দেশ এখনৰ বাবে নিৰ্বাচন যে অপৰিহাৰ্য তাত অকণো সন্দেহ নাই। আমাৰ গণতান্ত্ৰিক দলীয় ব্যৱস্থাত আদৰ্শ-নীতি ভিত্তিত ভিন ভিন ৰাজনৈতিক দলে নিৰ্বাচনত সক্ৰিয় অংশগ্ৰহণ কৰাটো স্বাভাৱিক কথা। ভোটদাতাৰ সমৰ্থন লাভ কৰিবলৈ দলবিশেষে নিজা নীতি, আদৰ্শ আৰু আঁচনি সম্পৰ্কে জনসাধাৰণক অৱগত কৰাবলৈ বিভিন্ন কৌশল গ্ৰহণ কৰে। এনে কৌশলক তেওঁলোকে ভোটদাতাক ভালেমান স্বপ্নসদৃশ আঁচনি প্ৰদৰ্শন কৰে। যোৱাটো নিৰ্বাচনৰ প্ৰাককালৰ প্ৰতিশ্ৰুতি সাকাৰ ৰূপ দিয়াৰ ব্যৰ্থতা ঢাকিবলৈ অধিক আকৰ্ষণীয় স্বপ্নৰ প্ৰদৰ্শন আগবঢ়াবলৈ ধৰিছে। সম্প্ৰতি শাসনাধিষ্ঠিত দলটোৱে তেওঁলোকৰ পূৰ্বৰ প্ৰতিশ্ৰুতি যে সপোনেই হৈ থাকিল সেই বিষয়ে ভ্ৰূক্ষেপেই নকৰে। একালৰ হিন্দী ছিনেমাৰ দৰ্শকে খন্তেকীয়া সপোনতে সন্তুষ্ট হোৱাটো তেওঁলোকৰ অদৃষ্ট বুলি মানি ল'ব বুলি অতীতৰ আৰু বৰ্তমানৰ শাসনাধিষ্ঠিত সৰ্বভাৰতীয় দল দুটাই ধাৰণা কৰি লয়। আমাৰ দেশত, বিশেষকৈ আমাৰ ৰাজ্যত সপোনৰ সদাগৰসকলে পুনৰ বেহা মেলিবলৈ আৰম্ভ কৰিছেই। হক কথা ক'বলৈ গ'লে দুয়োটা দলেই অসম তথা অসমীয়াৰ প্ৰকৃতাৰ্থত কিমান হিত সাধিলে সেয়া সন্দেহজনক। বৰ্তমান অসমত একাধিক আঞ্চলিক দল গঠনৰ যি কুচ কাৱাজ চলিছে তাৰ প্ৰতি সকলো পৰ্যায়ৰ অসমীয়াৰ সমৰ্থন এতিয়াও পৈণত হোৱা যেন লগা নাই। এটা সময়ত অসমীয়াৰ বুকুৰ আপোন হৈ পৰা অগপ দলে আঞ্চলিক দলৰ বিশ্বাসযোগ্যতাকে মষিমূৰ কৰি থোৱাটো অসমীয়া জাতিৰ বাবে এটা অতি দুৰ্ভাগ্যজনক ঘটনা। এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে যি পৰিৱেশ, পৰিস্থিতি আৰু সময়ত অগপ দল গঠন হৈছিল বৰ্তমান সেই প্ৰেক্ষাপট একেই আছে বুলি ভ্ৰান্ত ধাৰণা এটা খামোচ মাৰি থকা উচিত নহ'ব। যাক আমি বহিষ্কাৰ কৰাৰ দাবী কৰিছিলোঁ এতিয়া তেওঁলোকৰ জনসংখ্যা প্ৰায় দুগুণ হ'ল। বহুতৰ হিচাপত তেওঁলোকহে বৰ্তমান অসমৰ বৃহত্তম জনগোষ্ঠী। আনহে নালাগে দেশৰ পৰম পৰাক্ৰমী প্ৰধানমন্ত্ৰী গৰাকীয়েও সগৰ্বে তেওঁলোকক বহিষ্কাৰ কৰাৰ অংগীকাৰ কৰিও বিফল হ'ল। তেনেস্থলত ৰূঢ় বাস্তৱক অস্বীকাৰ কৰি অবান্তৰ পদক্ষেপ লোৱা উচিত হ'ব নে নহয় সেইটো বিবেচনাযোগ্য। এতিয়া প্ৰথম পদক্ষেপটো হোৱা উচিত বৃহত্তৰ অসমীয়া জাতিৰ ধাৰণাটো বাস্তৱায়িত কৰিবলৈ আন্তৰিক প্ৰচেষ্টা। পাৰস্পৰিক সুহৃদয়তা আৰু নিস্বাৰ্থ মনোভাবক অগ্ৰাধিকাৰ দিবই লাগিব।

২০২১ চনত যি দলৰ চৰকাৰেই গঠন নহওক, তাত কোনো অভিনৱত্ব যে নাথাকিব সেইটো আজিৰ পৰিস্থিতিত খাটাং। কিয়নো নিৰ্বাচনৰ উৎসৱটো পাৰ হোৱাৰ অন্তত কি নতুন চৰকাৰ কি জনতা সকলোকে Rip Van Winkleৰ দৰে নিদ্ৰাত নিমগ্ন হৈ পৰা যেন লাগে। সেই নিদ্ৰা ভাগিব চাৰি বছৰৰ পাছতহে, যেতিয়া শুই উঠা জনতাক জকমকীয়া সপোন প্ৰদৰ্শন কৰিবলৈ ক্ষমতালোভী ৰাজনৈতিক দলসমূহ তৎপৰ হৈ পৰিব।